# জিজ্ঞাস প্ৰতিভা সন্ধানী পৰীক্ষাৰ ফলাফল

জিজ্ঞাস শৈক্ষিক ন্যাসৰ উদ্যোগত ২০০১ চনৰ পৰা প্ৰতিবছৰে অনুষ্ঠিত কৰি অহা 'জিজ্ঞাস প্ৰতিভা সন্ধানী পৰীক্ষা-২০২৩' (JTSE-2023)ৰ ফলাফল আজি (৮ ফেব্ৰুৱাৰী) ঘোষণা কৰা হয়। আজি দিনৰ এক বজাৰ পৰা আমাৰ অফিচিয়েল ৱেবছাইট **www.jigyas.co.in**ত পৰীক্ষাৰ্থী-অভিভাৱকসকলে ফলাফলসমূহ চাব পাৰিব। উল্লেখ্য, যোৱা ১৯ নৱেম্বৰত সদৌ অসম ভিত্তিত তৃতীয় শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ SEBA আৰু CBSE উভয় পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত 'জে টি এছ ই-২০২৩' অনুষ্ঠিত হৈছিল। এইবাৰৰ পৰীক্ষাত ৰাজ্যৰ ১২৪ টা পৰীক্ষা কেন্দ্ৰত মুঠ ১৫ সহস্ৰাধিক ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হয়। ইয়াৰে প্ৰতিটো শ্ৰেণীৰে প্ৰথম ১৫টা স্থানপ্ৰাপ্ত শিক্ষাৰ্থীক বিশেষ জলপানি আৰু মানপত্ৰ প্ৰদান কৰা হ'ব। তদুপৰি ৫০ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক ন্যাসৰ তৰফৰ পৰা একোখনকৈ মান-পত্ৰ দিয়া হ'ব। এই ফলাফল ৰাজ্যৰ একমাত্ৰ শৈক্ষিক বাৰ্তালোচনী 'সাপ্তাহিক জিজ্ঞাস'ৰ এইবাৰ সংখ্যাত (৮-১৪ ফেব্ৰুৱাৰী) প্ৰকাশ কৰা হৈছে। তদুপৰি 'Result Booklet'ৰ একোটা কপি ৰাজ্যৰ প্ৰতিটো পৰীক্ষা কেন্দ্ৰলৈ প্ৰেৰণ কৰা হ'ব।

এইখিনিতে জনাওঁ যে 'জে টি এছ ই-২০২৩'ৰ ফলাফলত পৰীক্ষাৰ্থীৰ নাম, বিদ্যালয়ৰ নাম-ঠিকনা, প্ৰাপ্ত নম্বৰ আদিত যদি কিবা আসোঁৱাহ দৃষ্টিগোচৰ হয়, সেয়া অহা ১২ ফেব্ৰুৱাৰীৰ ভিতৰত আমাক জনাবলৈ অনুৰোধ জনালোঁ, যাতে পৰীক্ষা কেন্দ্ৰসমূহলৈ প্ৰেৰণ কৰিবলগীয়া Result Sheet Booklet আৰু মানপত্ৰত সেইবোৰ শুধৰোৱাৰ ব্যৱস্থা কৰিব পাৰি। এই সন্দৰ্ভত আমাৰ অফিচিয়েল মেইল আই ডি jigyaspublication@gmail.com অথবা হোৱাটছ এপ্ নম্বৰ ৮৮২২৭৭৪০০৩ ত যোগাযোগ কৰিবলৈ অনুৰোধ জনালো।

উল্লেখ্য, জিজ্ঞাস প্ৰতিভা সন্ধানী পৰীক্ষাই এইবাৰ সফলতাৰে ২৩ সংখ্যক বৰ্ষ অতিক্ৰম কৰিলে আৰু নিশ্চিতভাৱে ভৱিষ্যতেও এই ধাৰা অব্যাহত থাকিব। এইবাৰৰ পৰীক্ষাত প্ৰত্যক্ষ বা পৰোক্ষভাৱে সহায়-সহযোগিতা আগবঢ়োৱা সকলো শিক্ষাৰ্থী, অভিভাৱক, কেন্দ্ৰ সমন্বয়ক, শিক্ষক মণ্ডলী তথা শুভাকাংক্ষীক এই ছেগতে ধন্যবাদ আৰু কৃতজ্ঞতা জনালো।



(গৌতম কুমাৰ তালুকদাৰ)
পৰীক্ষা নিয়ন্ত্ৰক
জিজ্ঞাস প্ৰতিভা সন্ধানী পৰীক্ষা